ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# চেনি (বিশেষ আবকাৰী শুল্ক) অধিনিয়ম, ১৯৫৯

(১৯৫৯ ৰ ৫৮ নং অধিনিয়ম)

[১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Sugar (Special Excise Duty) Act, 1959

(Act No. 58 of 1959)

[As on the 1st June, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

১ জুন, ১৯৯০ তাৰিখে যথা বিদ্যমান চেনি (বিশেষ আবকাৰী শুল্ক) অধিনিয়ম, ১৯৫৯ (১৯৫৯ চনৰ ৫৮ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১ খণ্ড ১ৰ পৃষ্ঠা ৮৫ৰ পৰা ৮৬ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব।

# PREFACE

This edition of the Sugar (Special Excise Duty) Act, 1959 (58 of 1959) as on the 1st June, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on Pages 85 to 86.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication it became the authoritative texts of the Act in Assamese.

New Delhi
Date — 24-10-90.

V. S. RAMA DEVI,
Secretary to the Govt. of India.

# চেনি (বিশেষ আবকাৰী শুল্ক) অধিনিয়ম, ১৯৫৯


ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ—

১। সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ।

২। পৰিভাষা।

৩। কিছু চেনিৰ ওপৰত বিশেষ আবকাৰী শুল্ক আদায়।

৪। কিছু লেনা-দেনাত কৰ কাৰ্যৰ প্ৰতিফলন।

৫। নিৰসন।

# চেনি (বিশেষ আবকাৰী শুল্ক) অধিনিয়ম, ১৯৫৯

( ১৯৫৯ চনৰ ৫৮ নং )

**(১ জুন, ১৯৯০ তাৰিখে যথাবিদ্যমান)**

[২৪ ডিচেম্বৰ, ১৯৫৯]

কিছু বিধৰ চেনিৰ ওপৰত বিশেষভাৱে আবকাৰী কৰ আৰোপণৰ ব্যৱস্থা কৰণাৰ্থে এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ দশম বছৰত সংসদৰ দ্বাৰা নিম্নলিখিত ভাৱে অধিনিয়মিত হ'ল :--

সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভণ।

১। (১) এই অধিনিয়মৰ নাম চেনি (বিশেষ আবকাৰী শুল্ক) অধিনিয়ম, ১৯৫৯ ।

(২) ১৯৫৯ চনৰ অক্টোবৰ মাহৰ ২৫ তাৰিখৰ পৰা এই অধিনিয়ম বলবৎ হব বুলি গণ্য কৰা হব।

পৰিভাষা।

২। প্ৰসঙ্গত অন্যথা প্ৰয়োজন নহলে—

(ক) "কেন্দ্ৰীয় আবকাৰী অধিনিয়ম" বুলিলে কেন্দ্ৰীয় আবকাৰী অধিনিয়ম আৰু ১৯৪৪ চনৰ লোণ অধিনিয়মক বুজাব; ১৯৪৪ চনৰ ১

(খ) 'ফেক্টৰী' শব্দই য'ত বা যাৰ কোনো অংশত চেনি তৈয়াৰ কৰা হয়, নাইবা য'ত বা যাৰ কোনো অংশত চেনি উৎপাদনৰ লগত যোগসূত্ৰ থকা কোনো তৈয়াৰ প্ৰণালী চলাই থকা হয় বা সাধাৰণতে চলে তেনে প্ৰসঙ্গকে ধৰি হাউলিক বুজাব আৰু য'ত কেন্দ্ৰীয় আবকাৰী অধিনিয়ম বা ওপৰঞ্চি আবকাৰী শুল্ক (বিশেষ গুৰুত্বৰ সামগ্ৰী) অধিনিয়ম, ১৯৫৭ৰ অধীনত আদায় কৰিবলগীয়া আবকাৰী শুল্ক আদায় নকৰা চেনি জমা ৰখা হয় তেনে হাউলিহে ইয়াৰ অন্তৰ্ভুক্ত হব; ১৯৫৭ ৰ ৫৮

(গ) 'চেনি' শব্দই যিকোনো ৰূপত থকা চেনিক বুজাব যি সম্পূৰ্ণ-ৰূপে তৈয়াৰ কৰাই হওক বা আংশিক ভাৱে তৈয়াৰ কৰাই হওক কিন্তু—

(i) খান্দচাৰী চেনি অৰ্থাৎ যি চেনি তৈয়াৰ কৰোতে বায়ুশূণ্য পাত্ৰ নতুবা আপউকৰা কল ব্যৱহাৰত লগোৱা নহয় ; বা

(ii) তাল চেনি অৰ্থাৎ তাল গছৰ ৰস উতলাই পোৱা শৰকৰাৰ পৰা তৈয়াৰ কৰা চেনিক অন্তৰ্ভুক্ত নকৰিব।

কিছু চেনিৰ ওপৰত বিশেষ আবকাৰী আদায়। ৩। (১) এই অধিনিয়মৰ প্ৰাৰম্ভণত নতুবা তাৰ পিচত যিকোনো কাৰখানাৰ পৰা উলিয়াই অনা চেনিৰ তেনে পৰিমাণৰ সম্পৰ্কত হন্দৰত দুটকা পঞ্চাশ পইচা নিৰিখত এটা বিশেষ শুল্ক লগোৱা হব আৰু সংগ্ৰহ কৰা হব যি পৰিমাণ সেই প্ৰাৰম্ভণত সেই কাৰখানাৰ চৌহদৰ ভিতৰত ভৰালত থকা চেনিৰ পৰিমাণৰ সৈতে একে সমান।

(২) উপধাৰা (১)ত উল্লেখ কৰা আবকাৰী শুল্ক কেন্দ্ৰীয় আবকাৰী অধিনিয়ম বা তৎকালীন বলবত্ কৰা কোনো বিধিৰ অধীনত চেনিৰ ওপৰত বহুৱাবলগীয়া আবকাৰী শুল্কও ওপৰঞ্চি হব।

(৩) শুল্ক ঘূৰাই দিয়া আৰু শুল্কৰ পৰা ৰেহাই দিয়া সম্পৰ্কীয় উপবন্ধ সমূহকে ধৰি কেন্দ্ৰীয় আবকাৰী অধিনিয়ম আৰু তাৰ অধীনৰ নিয়মাৱলীৰ উপবন্ধসমূহ কেন্দ্ৰীয় আবকাৰী অধিনিয়মৰ অধীনত চেনিৰ ওপৰত আবকাৰী শুল্ক লগোৱা আৰু সংগ্ৰহৰ সম্পৰ্কতো যিমানলৈকে পাৰি তেনেকৈয়ে প্ৰয়োগ হব।

কিছু লেনা দেনাত কৰ কাৰ্যৰ প্ৰতিফলন। ৪। যি ক্ষেত্ৰত অত্যাৱশ্যকীয় সামগ্ৰী অধিনিয়ম, ১৯৫৫ৰ ধাৰা ৩ৰ উপধাৰা (২)ৰ খণ্ড (চ) সম্পৰ্কত দিয়া আদেশ মান্য কৰি এজন ব্যক্তিয়ে চেনি বিক্ৰী কৰা প্ৰয়োজন হয় তেনে ক্ষেত্ৰত যদি তেওঁ ধাৰা ৩ৰ অধীনত তেনে চেনিৰ ওপৰত লগাব লগা বিশেষ আমদানি শুল্ক আদায় কৰিছে, তেন্তে যেনে ভাবে আদায় কৰা শুল্কৰ সৈতে সমান পৰিমাণ ধনো তেনেকৈ বিক্ৰী কৰিবলৈ প্ৰয়োজন হোৱা চেনিৰ মূল্যত অন্তৰ্ভুক্ত হব আৰু কিনোতাৰ পৰা সেই পৰিমাণৰ ধন আদায় পাবলৈ তেওঁ হক্দাৰ হব। ১৯৫৫ৰ ১০

নিৰসন। ৫। ১৯৫৯ চনৰ চেনি (বিশেষ আবকাৰী শুল্ক) অধ্যাদেশ ইয়াৰ দ্বাৰা নিৰসন কৰা হ'ল। ১৯৫৯ৰ ৩

---